জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৯৯/২০২২**

## নৰ্থ ইষ্টাৰ্ণ পুলিচ একাডেমীত প্ৰশিক্ষণ সমাপ্ত কৰা ৫৭৮ গৰাকী কেডেট উপ-পৰিদৰ্শকৰ বাবে অনুষ্ঠিত ‘পাছিং আউট পেৰেড’ত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

## আৰক্ষী অপৰাধীৰ ক্ষেত্ৰত কঠোৰতকৈ কঠোৰ আৰু সৰ্বসাধাৰণৰ ক্ষেত্ৰত কপাহতকৈ কোমল হওঁক ঃ মুখ্যমন্ত্ৰী

## জনতাৰ প্ৰতি সহানুভূতিশীল আৰু সংবেদনশীল হ’বলৈ কেডেট উপ-পৰিদৰ্শকসকলক আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৬ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মেঘালয়ৰ উমিয়ামস্থিত নৰ্থ ইষ্টাৰ্ণ পুলিচ একাডেমীত প্ৰশিক্ষণ সমাপ্ত কৰা ৫৭৮ গৰাকী কেডেট উপ-পৰিদৰ্শকৰ বাবে অনুষ্ঠিত ‘পাছিং আউট পেৰেড’ত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে এই পাছিং আউট পেৰেডত বিভিন্ন দিশত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা কেডেটসকলক পদক আৰু বঁটা প্ৰদান কৰে। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ১৯ এপ্ৰিল তাৰিখে আৰম্ভ হোৱা ৫৭৮ গৰাকী কেডেট উপ-পৰিদৰ্শকৰ এই ৫০ তম বুনিয়াদী পাঠ্যক্ৰমৰ প্ৰশিক্ষণ ‘নেপা’ৰ ইতিহাসত প্ৰতিষ্ঠাকালৰে পৰা আজিলৈ প্ৰদান কৰা সৰ্ববৃহৎ গোটৰ প্ৰশিক্ষণ।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰক্ষী সেৱা সাহস, ত্যাগ আৰু সমৰ্পণৰ প্ৰতীক বুলি মন্তব্য কৰি সৰ্বসাধাৰণ জনতাৰ সমস্যাৰ প্ৰতি সহানভূতিশীল আৰু সংবেদনশীল হ’বলৈ ৰাজ্যিক আৰক্ষী বাহিনীৰ সদস্য হ’বলৈ আগবঢ়া আৰক্ষী বিষয়াসকলক আহ্বান জনায়। তেওঁ কয় যে সমাজ, চৰকাৰ আৰু পৰিয়ালে তেওঁলোকৰ পৰা যিবোৰ প্ৰত্যাশা কৰিছে সেইসমূহ পূৰণ কৰিবলৈ পেছাদাৰী উৎকৰ্ষতা আৰু সততাৰ সৰ্বোচ্ছমান তেওঁলোকে বজাই ৰাখিব লাগিব। নিজৰ দায়িত্ব পালন কৰিবলৈ যোৱাৰ সময়ত তেওঁলোকে অসংখ্য প্ৰত্যাহ্বান আৰু বাধাৰ সন্মুখীন হ’ব, কিন্তু এই সকলোবোৰৰ মাজত তেওঁলোকৰ সাহস, দৃঢ়তা, নিষ্ঠা, সততা আৰু দায়বদ্ধতা হিমালয় সদৃশ হৈ থিয় হৈ থাকিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে থানাসমূহক আমি এনে এক স্থানলৈ ৰূপান্তৰ কৰিব লাগিব য’ত এগৰাকী মহিলাই নিশা ২ বজাতো কোনো ভয় আৰু সংকোচ নোহোৱাকৈ আহিব পাৰে। এনে পৰিৱেশ যিদিনাখন আহিব সিদিনাখনে অসম আৰক্ষীৰ মূল মন্ত্ৰ ‘জনহিত জনসেৱাৰ্থে’ প্ৰকৃতাৰ্থত ৰূপায়িত হ’ব। এই উদ্দেশ্য আগত ৰাখি উপস্থিত সকলোকে নিজ কৰ্তব্যৰ পথত আগুৱাই যাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। আৰক্ষী সদায় সৰ্বসাধাৰণ নাগৰিকৰ পক্ষত থিয় দিব লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা


ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ অন্যতম শক্তিশালী অংগ হিচাপে চৰকাৰৰ দৃষ্টিভংগী আৰু উন্নয়নৰ ধাৰা আগুৱাই নিয়াৰ ক্ষেত্ৰত আৰক্ষী বাহিনীৰ গধুৰ দায়িত্ব আছে। অসম আৰক্ষীয়ে অপৰাধমুক্ত, ড্ৰাগ্‌ছমুক্ত অসম গঢ়াৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি পূৰণ কৰাত বিগত ১১ মাহে নিৰৱচ্ছিন্নভাৱে অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখি সময়ৰ কষতিশিলত উত্তীৰ্ণ হ'ব পাৰিছে। এই মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি অসম আৰক্ষীয়ে সমাজলৈ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে যে সভ্য দেশত সমাজক অস্থিৰ কৰা আৰু উন্নয়নৰ গতি স্তব্ধ কৰা বিপথগামী শক্তিবোৰৰ কোনো স্থান নাই। মুখ্যমন্ত্ৰীয়ে কয় যে খাকী পোছাকৰ ভিতৰত থকা আৰক্ষী বিষয়াজন অপৰাধীৰ ক্ষেত্ৰত কঠোৰতকৈ কঠোৰ হওঁক কিন্তু একে সময়তে আবাল-বৃদ্ধ-দিব্যাংগজন-দৰিদ্ৰ নাগৰিকৰ ক্ষেত্ৰত তেওঁ হওঁক কপাহতকৈ কোমল।

নিজৰ দায়িত্ব সুচাৰুৰূপে পালনৰ জৰিয়তে  সমাজৰ সংস্কাৰক হ'বলৈ পাছিং আউট পেৰেডত অংশগ্ৰহণ কৰা আৰক্ষী বিষয়াসকলক আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে সুশাসনৰ বাবে এক বিচক্ষণ আৰক্ষী বাহিনীৰ প্ৰয়োজন যিয়ে বিকাশক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ অনুঘটকৰ ভূমিকা পালন কৰে। এই কথা উপলব্ধি কৰি ৰাজ্য চৰকাৰে অপৰাধ নিয়ন্ত্ৰণ কৰাৰ বাবে শক্তিশালী আৰু কৌশলী ৰণনীতি প্ৰস্তুত কৰা আৰু সঠিক গৱেষণা আৰু অনুসন্ধানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয় যে আৰক্ষীক এক নতুন গতি প্ৰদান কৰিবলৈ আৰক্ষীৰ আধুনিকীকৰণতো ৰাজ্য চৰকাৰে সমানে গুৰুত্ব দিছে আৰু কামৰ বোজা হ্ৰাস কৰাৰ বাবে ৰাজ্যখনৰ সকলো আৰক্ষী থানাত দুটা শ্বিফ্‌টত কাম কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গঢ়ি তুলিবলৈ পৰিকল্পনা কৰা হৈছে। অসম আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়খনক বিশ্বমানৰ আৰক্ষী একাডেমীলৈ উন্নীত কৰাৰ বাবেও এক প্ৰকল্প ৰূপায়ণ কৰি থকা হৈছে বুলিও মন্তব্য কৰি তেওঁ কয় যে অসম আৰক্ষীত শীঘ্ৰে ১৬ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ বাবে চৰকাৰে যাৱতীয় প্ৰস্তুতি চলাইছে। ভাষণ প্ৰসংগত তেওঁ দেশৰ প্ৰথম গৰাকী উপ-প্ৰধানমন্ত্ৰী তথা গৃহ মন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলৰ মন্তব্যৰ উদ্ধৃতিৰে কয় যে কেৱল অপৰাধ চিনাক্ত কৰা আৰু অপৰাধীসকলক কৰায়ত্ত কৰাই আৰক্ষীৰ বাবে যথেষ্ট নহয়, আৰক্ষীয়ে মানুহৰ মৰম জিনিবলৈও চেষ্টা কৰিব লাগিব।

নৰ্থ ইষ্টাৰ্ণ পুলিচ একাডেমীত ৫০ সপ্তাহৰ কঠোৰ প্ৰশিক্ষণ লাভ কৰা ৫৭৮ গৰাকী উপ-পৰিদৰ্শকক তেওঁলোকৰ অনাগত কৰ্মজীৱনলৈ শুভেচ্ছা জ্ঞাপন কৰি কৰ্তব্য পথৰ অন্তিম দিনটোলৈকে নিষ্ঠাসহকাৰে কৰ্মত ব্ৰতী হোৱাৰ লগতে নিজ স্বাস্থ্যৰো যত্ন ল'বলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

ইয়াৰ পূৰ্বে নৰ্থ ইষ্টাৰ্ণ পুলিচ একাডেমীৰ সঞ্চালক দীপক কুমাৰে কেডেটসকলক শপত বাক্য পাঠ কৰোৱায়। প্ৰশিক্ষণ সমাপ্ত কৰা উপ-পৰিদৰ্শকসকলে অনুষ্ঠানত মাৰ্চপাষ্টো প্ৰদৰ্শন কৰে। অনুষ্ঠানত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তকে ধৰি শীৰ্ষ আৰক্ষী বিষয়াসকলো উপস্থিত থাকে।

**নিঃকুঃদাঃ**

**৬-০৪-২০২২**